# অসম বিধান সভা
# ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ৩৫৮

**বিষয়ঃ ৰিং বান্ধ নিৰ্মাণ সম্পৰ্কে।**

**শ্ৰীভূৱন গাম, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

সোনোৱাল কছাৰীৰ পৰা নামনি মাজুলী মিছামৰালৈকে পৰিকল্পিত ভাৱে গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি গ্ৰহণ কৰি ভূমি সুৰক্ষিত কৰিবৰ বাবে ভূমি খণ্ডক আন্তঃভাগত ৰাখি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজুলীত ঘোষণা কৰা প্ৰস্তাৱিত ৰিং বান্ধ নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

সোনোৱাল কছাৰীৰ পৰা নামনি মাজুলীৰ মিছামৰালৈকে পৰিকল্পিতভাৱে গৰাখহনীয়া প্ৰতিৰোধৰ আঁচনি গ্ৰহণ কৰি ভূমি সুৰক্ষিত কৰিবৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজুলীত ঘোষণা কৰা প্ৰস্তাৱিত ৰিং বান্ধ (Ring Bund) নিৰ্মাণৰ কাম ব্ৰহ্মপুত্ৰ ব'ৰ্ডে ৰূপায়ণ কৰিব। এই সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ Chairman ক প্ৰদান কৰা চিঠিৰ প্ৰতিলিপি **'পৰিশিষ্ট-ক'** ত সংলগ্ন কৰা হ'ল। উক্ত চিঠিৰ জৰিয়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্ৰহ্মপুত্ৰ ব'ৰ্ডক অৱবাহিকা ব্যাপী বান ব্যৱস্থাপনাৰ বিশেষজ্ঞতাৰ সৈতে ওপৰত উল্লেখ কৰা ৰিং বান্ধ আঁচনিখন গ্ৰহণ কৰাৰ বিবেচনা কৰিবলৈ অনুৰোধ জনায়।

এই পত্ৰত উল্লেখ কৰা অনুৰোধ অনুসৰি ব্ৰহ্মপুত্ৰ ব'ৰ্ডে ব্ৰহ্মপুত্ৰ নদীৰ সোঁপাৰত চিকাৰিগাঁৱৰপৰা শালমাৰালৈকে এটা ৰিং বান্ধ নিৰ্মাণ কৰি বানপানীৰ পৰা ৰক্ষা কৰা আৰু বৰ্তমান অব্যৱহৃত ৩০ হাজাৰ একৰতকৈও অধিক মাটি খেতিযোগ্য কৃষি ভূমিলৈ ৰূপান্তৰিত কৰাৰ প্ৰস্তাৱ হাতত লৈছে। ইয়াৰ ফলত ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ণ যথেষ্ট বৃদ্ধি পাব।

ব্ৰহ্মপুত্ৰ ব'ৰ্ডে জনোৱা তথ্য অনুসৰি, মাজুলী দ্বীপত এটা ৰিং বান্ধ নিৰ্মাণৰ প্ৰস্তাৱ মাজুলী ভ্ৰমণৰ সময়ত ১৯ তম ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ কাৰিকৰী উপদেষ্টা কমিটী (TAC-BB)ৰ আগত ৰখা হৈছিল আৰু কমিটীয়ে প্ৰস্তাৱটো পৰীক্ষা কৰাৰ পাছত Pre-Feasibility Report প্ৰস্তুত কৰি দাখিল কৰাৰ পৰামৰ্শ দিয়ে। পৰৱৰ্তী পৰ্য্যায়ত ব্ৰহ্মপুত্ৰ ব'ৰ্ডে Pre-Feasibility Report প্ৰস্তুত কৰি কেন্দ্ৰীয় জল আয়োগ (CWC) ক দাখিল কৰিছে। কেন্দ্ৰীয় জল আয়োগৰ পৰামৰ্শ অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

( উক্ত প্ৰশ্নৰ উত্তৰৰ সৈতে **"পৰিশিষ্ট-ক"** অনলাইনযোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে।)

**************

सत्यमेव जयते

D.O. No. CMO.1/2025/6629
May 22, 2025

Dear Dr Ranbir Singh Ji,

I am writing to bring to your kind notice the pressing flood-control needs of Majuli district.

2. Shri Bhuban Gam, Hon'ble MLA, Majuli LAC has highlighted the proposal for construction of a ring bund from Chikarigaon to Salmara on the right bank of the Brahmaputra River, which would protect the hinterland from annual inundation and unlock over 30,000 acres of arable land. The area from Jaborchuk to Banariya Chapori, covering over 50,000 square miles, is rich in fertile land and biodiversity. However, recurrent floods severely restrict agricultural activity. The proposed embankment is expected to convert approximately 30,000 acres of presently unused land into cultivable farmland, thereby significantly boosting economic development.

3. I understand that the Brahmaputra Board, in its 82nd meeting held on 26.06.2024, discussed this proposal and referred it to the Water Resource Department, Government of Assam.

4. The Water Resources Department, Government of Assam, has already undertaken a large number of flood-protection and river-management schemes across the State. However, in view of the scale of Majuli's challenges and the limited resources available to the State, we are constrained in our ability to implement every proposal.

5. Accordingly, I would like to request that the Brahmaputra Board, with its mandate and expertise in basin-wide flood management, may favourably consider taking up the above-mentioned ring-bund scheme under its programme of works.

With regards,

Yours sincerely,

**(Dr. Himanta Biswa Sarma)**

**Dr. Ranbir Singh**, IAS (Retd.)
Chairman, Brahmaputra Board
Basistha Guwahati-781029